# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-08-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণৰ বিষয় লৈ আজিও সংসদৰ উভয় সদনৰ কাম-কাজ ব্যাহত হয়।

২। লোকসভাত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক-২০২৫ গৃহীত হৈছে।

৩। কেন্দ্ৰীয় মন্ত্ৰীসভাই আনুমানিক এহেজাৰ ৫০৭ কোটি টকা ব্যয়েৰে ৰাজস্থানৰ কোটা-বুন্দিত গ্ৰীণ ফিল্ড বিমান বন্দৰ বিকশাই তোলাৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

৪। নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰক্ৰিয়া নিয়াৰি কৰি তোলাৰ লগতে ইয়াৰ সংশোধনৰ বাবে বিগত ছমাহত ভালেমান পদক্ষেপ লৈছে।

*আৰু*

৫। অহা ৯ ছেপ্তেম্বৰৰ পৰা সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰত হ'বলগীয়া এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫ জনীয়া ভাৰতীয় দলটো ঘোষণা কৰা হৈছে।

ooooo

বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণৰ বিষয় লৈ আজিও সংসদৰ উভয় সদনৰ কাম-কাজ ব্যাহত হয়। বিষয়টো লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে উভয় সদনৰ কাৰ্য্য-ক্ৰমণিকা কেইবাবাৰো ব্যাহত হোৱাৰ পাছত দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

কাৰ্য্য-ক্ৰমণিকা তৃতীয়বাৰৰ বাবে স্থগিত ৰখাৰ পাছত বিয়লি ৪ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সাংসদসকলে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণৰ বিষয় লৈ ধ্বনি দি সদনৰ মজিয়ালৈ উঠি যায়। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে লোকসভাই ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক-২০২৫ গ্ৰহণ কৰে। অধ্যক্ষই প্ৰতিবাদৰত সদস্যসকলক সদনৰ কাম-কাজ চলাই নিয়াত সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায় যদিও তেওঁৰ চেষ্টা অথলে যায়। ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক-২০২৫ গৃহীত হোৱাৰ পাছতে অধ্যক্ষই সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ইয়াৰ আগেয়ে সদনৰ কাম-কাজ দ্বিতীয়বাৰৰ বাবে স্থগিত ৰখাৰ পাছত দিনৰ ২ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত সদনে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ

ক্ষেত্ৰত মহাকাশ কাৰ্য্যসূচীৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে আলোকপাত কৰি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ ভাৰতীয় মহাকাৰশচাৰী কেপ্তেইন সুভাংশু শুক্লাৰ যাত্ৰা সম্পৰ্কে বিশেষ আলোচনা পুনৰ আৰম্ভ কৰে। আলোচনাত ভাগ লৈ বিজেপিৰ সাংসদ নিশিকান্ত ডুবেই বিৰোধী পক্ষই অযথা হুলস্থূল সৃষ্টি কৰা বুলি আৰু এনে গুৰুত্বপূৰ্ণ বিষয় লৈ সদনত আলোচনা হ'ব নিদিয়া বুলি অভিযোগ উত্থাপন কৰে। তেওঁ কয়, যে শুভাংশু শুক্লাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ যোৱা দেশৰ প্ৰথমগৰাকী মহাকাশচাৰী হিচাপে ৰাষ্ট্ৰক গৌৰৱান্বিত কৰিছে। শ্ৰীডুবেই কয়, যে কংগ্ৰেছে ভাৰতীয় মহাকাশ খণ্ডৰ প্ৰতি অৱহেলা কৰিছিল আৰু ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ সৱলীকৰণৰ বাবে একো কৰা নাছিল। নাম্বি নাৰায়ণৰ বিষয়ে উল্লেখ কৰি সাংসদগৰাকীয়ে কয়, যে এগৰাকী ৰাষ্ট্ৰীয় মৰ্য্যাদাসম্পন্ন বিজ্ঞানীও কিদৰে শাৰীৰিক অপমানৰ সন্মুখীন হ'বলগীয়া হৈছিল, সেই বিষয়ে তেওঁৰ ঘটনাই সোঁৱৰাই দিয়ে। ইয়াৰ পাছতে অধ্যক্ষই হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সদনৰ কাৰ্য্য-ক্ৰমণিকা বিয়লি ৪ বজালৈ স্থগিত ৰাখে।

কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত লোকসভা মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ দলসমূহে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ সন্দৰ্ভত আলোচনা কৰাৰ দাবী তুলি সদন উত্তাল কৰি তোলে। ইয়াৰ মাজতে অধ্যক্ষই শূণ্যকালৰ কাম চলাই নিয়াৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে ধ্বনি দিবলৈ ধৰে। অধ্যক্ষই এনে অচলাৱস্থাৰ মাজতে সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই এতিয়াৰে পৰা কাশ্মীৰী, কোংকানী আৰু চাওতালী ভাষাতো অনুবাদৰ সুবিধা উপলব্ধ হোৱা বুলি সদনক অৱগত কৰে । তেওঁ কয়, যে সম্প্ৰতি হিন্দী আৰু ইংৰাজীৰ উপৰি অসমীয়া, বাংলা, বড়ো, দোগ্ৰী, গুজৰাটী, কানাড়া, মৈথিলী, মালায়ালম, মণিপুৰী, মাৰাঠী, নেপালী, উৰিয়া, পাঞ্জাবী, সংস্কৃত, সিন্ধি, তামিল, তেলুগু আৰু উৰ্দু- এই ১৮ টা ভাষাত সদনৰ কাৰ্য্য-ক্ৰমণিকা অনুবাদৰ সুবিধা আছে। শ্ৰী বিৰলাই কয়, যে কাশ্মীৰী, কোংকানী আৰু চাওতালী ভাষাৰ অন্তৰ্ভুক্তিৰ পাছত এতিয়াৰে পৰা সদনত সংবিধানৰ অষ্টম অনুসূচীত উল্লেখ থকা ২২ টা ভাষাৰ আটাইকেইটাতে অনুবাদৰ সুবিধা উপলব্ধ হৈছে।

ইয়াৰ পাছতে অধ্যক্ষই প্ৰশ্নোত্তৰ কাল চলাই নিয়াৰ চেষ্টা কৰে যদিও বিৰোধী সদস্যসকলে বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণক লৈ আলোচনা বিচাৰি প্ৰতিবাদ কৰিবলৈ ধৰে। শ্ৰী বিৰলাই বিৰোধী সদস্যসকলক সদনৰ কামকাজ চলাই নিয়াৰ ক্ষেত্ৰত সহযোগ কৰিবলৈ আহ্বান জনাই কয়, যে ভাৰত বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ আৰু বিৰোধী সদস্যসকলে সদনৰ কামকাজ নিয়াৰিকৈ সম্পাদন কৰাত সহযোগিতা আগবঢ়োৱা উচিত। অধ্যক্ষৰ আহ্বানৰ পাছতো বিৰোধী সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত শ্ৰীবিৰলাই সদনৰ কামকাজ দুপৰীয়া ১২ বজা পৰ্যন্ত স্থগিত ৰাখে।

ৰাজ্যসভাতো আজি একেধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হয়। দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে বিভিন্ন বিষয় লৈ ৰাজনৈতিক দলসমূহে প্ৰেৰণ কৰা সভা স্থগিতকৰণৰ ২০ খন জাননী প্ৰত্যাখ্যান কৰে। ইয়াৰ পাছতে বিৰোধী পক্ষৰ একাংশ সদস্যই ভোটাৰ তালিকাৰ পুনৰীক্ষণৰ বিষয় লৈ ধ্বনি দিবলৈ আৰম্ভ কৰে। উপ-সভাপতি হৰিবংশে শূণ্য কালৰ কাম-কাজ আগবঢ়াই নিয়াৰ চেষ্টা চলাই কয়, যে শূণ্যকালত সাংসদসকলে ৰাইজৰ বাবে গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব পাৰে। তেওঁ লগতে প্ৰতিবাদৰত সদস্যসকলক নিজৰ নিজৰ আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰাখে। অনুৰোধৰ পাছতো অচলাৱস্থা অব্যাহত থকাত উপ-

সভাপতিগৰাকীয়ে সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখে। দিনৰ ২ বজাত ৰাজ্যসভা পুনৰ মিলিত হোৱাৰ সময়ত উচ্চ সদনে খনি আৰু খনিজাত পদাৰ্থৰ বিকাশ আৰু নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক-২০২৫ গ্ৰহণ কৰে। ইয়াৰ পাছতে উচ্চ সদনৰ কাৰ্য্য-ক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই আনুমানিক এহেজাৰ ৫০৭ কোটি টকা ব্যয়েৰে ৰাজস্থানৰ কোটা-বুন্দিত গ্ৰীণ ফিল্ড বিমান বন্দৰ বিকশাই তোলাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই প্ৰকল্পৰ অধীনত ২০ হাজাৰ বৰ্গমিটাৰ এলেকাত ব্যস্ততাপূৰ্ণ সময়ত এহেজাৰ ৫০৭ গৰাকী যাত্ৰীৰ আহ-যাহৰ সুবিধাযুক্ত আগমণ-প্ৰস্থান ভৱনো নিৰ্মাণ কৰা হ'ব। কোটা ৰাজস্থানৰ ঔদ্যোগিক ৰাজধানীৰূপে পৰিচিত আৰু দেশৰ শৈক্ষিক প্ৰশিক্ষণ কেন্দ্ৰৰূপেও কোটাৰ সুকীয়া পৰিচয় আছে। নতুন দিল্লীত আজি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে মন্ত্ৰীসভাই ৮ হাজাৰ ৩০৭ কোটি ৭৪ লাখ টকা ব্যয়েৰে ওড়িশাত ছটা লেনযুক্ত ৰাজধানী ক্ষেত্ৰ ৰিং ৰ'ড নিৰ্মাণৰ প্ৰস্তাৱতো অনুমোদন জনাইছে।

ooooo

নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰক্ৰিয়া নিয়াৰি কৰি তোলাৰ লগতে ইয়াৰ সংশোধনৰ বাবে বিগত ছমাহত ভালেমান পদক্ষেপ লৈছে। আয়োগে জনাইছে যে, এই পদক্ষেপসমূহে বিভিন্ন ৰাজনৈতিক দল আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত সংশ্লিষ্ট পক্ষসমূহক সামৰি লোৱাৰ লগতে নিৰ্বাচনী প্ৰক্ৰিয়াক শক্তিশালী ৰূপত আগবঢ়াই নিয়া তথা শিক্ষণ ব্যৱস্থাৰ জৰিয়তে প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰেৰে ভোটদানৰ প্ৰক্ৰিয়াক সহজ কৰি তোলাৰ চেষ্টা কৰিছে। অ-স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলক বিচাৰি উলিয়াই নিৰ্বাচনত দলসমূহৰ অংশগ্ৰহণ বন্ধ কৰা, ভোটদান কেন্দ্ৰসমূহত ১০০ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা, বিহাৰত বিশেষ ব্যৱস্থাৰে  নিৰ্বাচনী প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ইত্যাদিকে ধৰি ২৮ টা এনে পদক্ষেপ গ্ৰহণ কৰা বুলি আয়োগে জানিবলৈ দিছে।

ooooo

ভাৰতৰ ওপৰত বিশ্বৰ জটিল শুল্ক প্ৰেক্ষাপটৰ প্ৰভাৱ কমকৈ পৰিব বুলি বিজেপিৰ মুখপাত্ৰ চৈয়দ জাফৰ ইছলামে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেলত মুখপাত্ৰগৰাকীয়ে কয়, যে  ৰপ্তানি নিৰ্ভৰশীল অন্য অৰ্থ ব্যৱস্থাৰ তুলনাত ভাৰতীয় অৰ্থ ব্যৱস্থা যথেষ্ট স্থিৰ হৈ থাকিব। তেওঁ কয়, যে দেশত সামগ্ৰীৰ ঘৰুৱা ব্যৱহাৰ ৫০ শতাংশৰো অধিক আৰু ইয়াৰ ফলত দেশত অৰ্থব্যৱস্থাৰ বিকাশ ত্বৰান্বিত হৈছে। তেওঁ লগতে বিশ্বজনীন অনিশ্চয়তা সত্বেও ভাৰতীয় মুদ্ৰা নিধিয়ে ২০২৫ আৰু ২০২৬ বৰ্ষৰ বাবে ভাৰতীয় অৰ্থ-ব্যৱস্থাৰ বিকাশ হাৰ ৬ দশমিক ৪ শতাংশ হ'ব বুলি কৰা অনুমানৰ বিষয়ে উল্লেখ কৰে।

ooooo

অহা ৯ ছেপ্তেম্বৰৰ পৰা সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰত হ'বলগীয়া এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫ জনীয়া ভাৰতীয় দলটো ঘোষণা কৰা হৈছে। সূৰ্য কুমাৰ য়াদৱৰ নেতৃত্বৰ ভাৰতীয় দলটোত টেষ্ট অধিনায়ক শুভমন গীল উপ অধিনায়কৰূপে থাকিব। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য নিৰ্বাচক অজিত আগৰকাৰ আৰু ভাৰতীয় টি টুৱেণ্টি দলৰ অধিনায়ক সূৰ্য্য কুমাৰ য়াদৱে আজি মুম্বাইত দলটোৰ সদস্যসকলৰ নাম ঘোষণা কৰে। দলটোৰ বাকী সদস্যসকল হৈছে- অভিষেক শৰ্মা, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, শিৱম ডুবে, অক্ষৰ পেটেল, জীতেশ শৰ্মা, অশদীপ সিং, বৰুণ চক্ৰৱৰ্তী, সঞ্জু চেমচন, হৰ্ষিত ৰাণা, ৰিংকু সিং, যশপ্ৰীত বুমৰা, আৰু কূলদীপ য়াদৱ। ৱাছিংটন সুন্দৰ, ৰিয়ান পৰাগ, ধ্ৰুৱ জুৰেল আৰু যশস্বী

জয়ছোৱালক এছিয়া কাপৰ বাবে অতিৰিক্ত খেলুৱৈ হিচাপে ৰখা হৈছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ গ্ৰুপ এত ভাৰতক পাকিস্তান, ওমান আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ সৈতে ৰখা হৈছে।

ooooo

সমাপ্ত